# সহ সম্বন্ধ আৰু ফলপ্ৰসু শিক্ষাদান

– বিজয়া ডেকা

"অ' ফুল, অ' ফুল
নুফুল কিয় ?
গৰুৱে যে আগ খায়
মইনো ফুলিম কিয় ?
অ' গৰু অ' গৰু
আগ খাব কিয় ?
গৰখীয়াই যে গৰু নৰখে
মইনো নাখাম কিয় ?
............... ।"

প্ৰাথমিক বিদ্যালয়ত থাকোতে কবিতাটি পঢ়িছিলোঁ। ইয়াত কবিয়ে ফুল নুফুলাৰ কাৰণ গৰুৱে ফুলৰ আগ খোৱা, গৰুৱে ফুলৰ আগ খোৱাৰ কাৰণ গৰখীয়াই গৰু নৰখা...... । এনেদৰে এক সম্বন্ধৰ মাজেৰে কবিতাটি আগবঢ়াই নিছে। কবিতাটিৰ জৰিয়তে ক'বলৈ বিচৰা হৈছে যে আমি কৰা বিভিন্ন কামৰ মাজত প্ৰায়ে ইটোৰ লগত সিটোৰ সম্বন্ধ থাকে। উদাহৰণস্বৰূপে ক'ব পাৰি আমি ৰাতিপুৱা শুই উঠোতে পলম হ'লে সকলো কাম সমাধান হওঁতে পলম হয় নতুবা সময় নহ'বও পাৰে কামটো কৰিবলৈ। লৰালৰিকৈ কৰাৰ বাবে কামটো নিখুঁত নহয়গৈ। মুঠতে সম্বন্ধসূচক ভাৱধাৰাবোৰৰ এটা নিৰ্দিষ্ট সীমা থাকে। লক্ষ্যবিহীন কামৰ পৰা ভাল ফল আশা কৰিব নোৱাৰি। প্ৰাথমিক পৰ্য্যায়ত আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত লিখা-পঢ়া-গণনা কৰাৰ (3Rs-Reading, writing arithmatic) ওপৰত গুৰুত্ব দিয়া হয়। কিন্তু বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ উত্তৰণৰ ফলত ন ন কথা আহি পৰিছে। আগৰ 3R ৰ ঠাই 7R হৈছে (Reading, Writting, Arithmatic, Rest, Relationship, Responsibility, Right) অৰ্থাৎ লিখা-পঢ়া-গণনা কৰা, জিৰণি, সম্বন্ধ, দায়িত্ববোধ আৰু অধিকাৰ আদি ইয়াত সংযোগ ঘটিছে। সেইদৰে প্ৰাৰম্ভিক অৱস্থাত শিক্ষাৰ্থীৰ 3Hs (Head, Heart, Hand) মস্তিষ্ক, হৃদয় আৰু হস্ত এই তিনিটা দিশৰ বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। বৰ্তমান 5Hs (Head, Heart, Hand, Health, Habit) মস্তিষ্ক, হৃদয়, হস্তৰ লগতে স্বাস্থ্য আৰু অভ্যাস আদি দিশৰ বিকাশ সাধনৰ ওপৰত গুৰুত্ব দিয়া হৈছে। বিকাশ অকলে নহয়। ই নিৰৱচ্ছিন্ন গতিত, অদৃশ্যভাৱে সকলো দিশতে ইটোৰ লগত সিটোৰ সম্বন্ধ ৰাখিহে হয়। এই দিশসমূহৰ বিকাশ সাধনৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাদান কৰিবলৈ যাওঁতে পাঠৰ মাজত থকা সম্বন্ধ

বা যোগসূত্ৰৰ বিষয়ে গুৰুত্ব প্ৰদান কৰা উচিত। এটা বিষয়ৰ পাঠসমূহৰ মাজত থকা সম্বন্ধ বা এটা বিষয়ৰ লগত আন এটা বিষয়ৰ মাজত থকা সম্বন্ধকে পাঠৰ সহ-সম্বন্ধ বোলে। অৰ্থাৎ পাঠৰ সম্বন্ধই পাঠদান কৰা কোনো পাঠৰ বিষয়বস্তুৰ লগত আন এটা পাঠৰ বা বিষয়ৰ যি সম্বন্ধ তাকে বুজায়। শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কৰা সময়ত পাঠৰ সহঃ সম্বন্ধই শিক্ষাৰ্থীৰ বোধ শক্তি বিকাশত যথেষ্ঠ সহায় কৰে।

জাৰ্মান দাৰ্শনিক মনোবিজ্ঞানী জন ফ্ৰেড্ৰিচ হাৰ্বাট (John Friedrich Herbart 1776-1840) যি গৰাকী ব্যক্তিক Founder of pedagogy (Pedagogy means science of Teachning) বুলি জনা যায় তেঁৱে প্ৰথমে পাঠৰ সহঃ সম্বন্ধ ধাৰণাটো দাঙি ধৰে। Herbart এ মত পোষন কৰে যে শিশুক সদায় জনা কথাৰ পৰা নজনা কথা শিকাব লাগে। হাৰ্বাটে উল্লেখ কৰিছিল যে শিক্ষাদান ফলপ্ৰসু কৰি তুলিবলৈ শিক্ষকে পাঠ পৰিকল্পনা কৰিব লাগে। পূৰ্ব প্ৰস্তুতি বা Motivation কৰিবলৈ জনা কথাৰ পৰা নজনা কথালৈ আগবাঢ়িব লাগে।

উপস্থাপন ৰীতি পূৰ্বজ্ঞানৰ ভিত্তিত যদি আৰম্ভণি কৰা হয় ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমৰ পৰাই পাঠটিৰ লগত নিজক সংযোগ কৰিব পাৰে। বিষয়বস্তুৰ জ্ঞান উপলব্ধি কৰাত সহজ হয়। অৰ্থাৎ পূৰ্ব প্ৰস্তুতি পাঠদান, পাঠৰ বোধৰ লগত এটা সহঃসম্বন্ধ স্থাপন হয়।

জাৰ্মান শিক্ষাবিদ হাৰ্বাটৰ এগৰাকী শিষ্য Tuiskn Zillar ৰেও সহঃ সম্বন্ধৰ ওপৰত অধ্যয়ন কৰিছিল। Zillar এ হাৰ্বাটৰ শিক্ষাদান কৰিবলৈ প্ৰস্তুত কৰা পঞ্চম স্তৰৰ পাঠপৰিকল্পনাক তিনিটা স্তৰলৈ সংশোধন কৰিছিল। Zillar এ সহ সম্বন্ধ সম্পৰ্কেও নিজস্ব মতামত দাঙি ধৰে। তেওঁৰ মতে পাঠৰ সহঃ সম্বন্ধ এটা মাত্ৰ বিষয়ৰ কেন্দ্ৰীয় বিষয় হিচাপে লৈ আন আন বিষয় ইয়াৰ লগত সহঃ সম্বন্ধ স্থাপন কৰি শিক্ষাৰ্থীক শিক্ষাদান কৰিব লাগে। উদাহৰণস্বৰূপে ভূগোল বা বুৰঞ্জী বিষয়ক মৌলিক বিষয় হিচাবে ল'ব পাৰি। এটা বিষয়ক কেন্দ্ৰ কৰি আন আন বিষয়ক ইয়াৰ লগত সহ সম্বন্ধ স্থাপন কৰি শিক্ষাৰ্থীক শিক্ষাদান কৰিব লাগে। উদাহৰণস্বৰূপে ভূগোল বা বুৰঞ্জী বিষয়ক মৌলিক বিষয় হিচাপে ল'ব পাৰি। এটা বিষয়ক কেন্দ্ৰ কৰি আন আন বিষয়ৰ কি ধৰণৰ সম্বন্ধ আছে দেখুৱাব পাৰি। মনোবিজ্ঞানী ফ্ৰেবেলেও জিলাৰক সমৰ্থন কৰিছিল। ফ্ৰেবেলে মত পোষণ কৰিছিল যে খেলৰ মাজেৰে বিষয়ৰ সহঃসম্বন্ধ স্থাপন কৰা উচিত। তেওঁৰ মতে খেলক মূল বিষয় হিচাপে গণ্য কৰি আন বিষয়ৰ সহঃ সম্বন্ধ ৰাখি পাঠদান কৰিলে শিশুৱে স্বতঃস্ফুৰ্তভাৱে আত্মপ্ৰকাশ কৰিব পাৰে। সৃজনীমূলক ক্ৰিয়াৰো বিকাশ সাধন হয়। গতিকে শিশুক খেলৰ লগতে নৃত্য-গীত, আবৃত্তি, দলীয় খেলা-ধূলা আদিৰ সুবিধা প্ৰদান কৰা উচিত।

আনহাতে প্ৰয়োগবাদী দাৰ্শনিক আমেৰিকান শিক্ষাবিদ জন ডিই উৱে আকৌ প্ৰকল্প পদ্ধতিৰে শিক্ষাদান কৰাত গুৰুত্ব প্ৰদান কৰিছিল। তেওঁৰ মতে জীৱনৰ উপযোগী বিষয়সমূহ প্ৰকল্পৰ জৰিয়তে পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লাগে।

জাতিৰ পিতা মহাত্মা গান্ধীয়েও বুনিয়াদী শিক্ষা ব্যৱস্থাত সহঃ সম্বন্ধ নীতি প্ৰয়োগত গুৰুত্ব আৰোপ কৰিছিল। সামগ্ৰীকতাবাদৰ মতেও জ্ঞান হৈছে এক সমগ্ৰসত্তা আৰু জ্ঞানক কেতিয়াও আংশিকভাৱে দিব নোৱাৰি।

সহ সম্বন্ধই নিৰ্দিষ্ট পাঠৰ অৰ্থ আৰু জ্ঞান অৰ্জন কৰাত সহায় কৰে। পাঠৰ সহঃ সম্বন্ধই ব্যক্তিয়ে অৰ্জন কৰা অভিজ্ঞতাক এটাৰ লগত

আনটো যি ওচৰ সম্পৰ্ক ফঁহিয়াই চোৱাত সহায় কৰে। ই প্ৰকৃত জ্ঞানক অৰ্থপূৰ্ণ কৰি তোলে যদিহে সহঃ সম্বন্ধ নীতি অনুসৰণ কৰা হয়।

সহঃ সম্বন্ধ তিনিধৰণৰ হয়। যেনে-- (ক) একে বিষয়ৰ এটা পাঠৰ লগত আন এটা পাঠৰ সম্বন্ধ ঃ এটা পাঠদান কৰিবলৈ যাওঁতে শ্ৰেণীকোঠাত শিক্ষাদান অধিক ফলপ্ৰসু, মনোযোগী, আকৰ্ষনীয় কৰিবলৈ শিক্ষনীয় বিষয়ৰ বিভিন্ন অংশ বা আন আন পাঠৰ লগত তাৰ কি সম্বন্ধ ফঁহিয়াই দেখুওৱা উচিত। দেখা যায় এজন শিক্ষাৰ্থীয়ে প্ৰথম পাঠটি ভালদৰে বুজি নাপালে পিছৰ পাঠবোৰ ভালদৰে আয়ত্ব কৰিব নোৱাৰে। সেয়েহে শ্ৰেণীত উপস্থিত নথকা শিক্ষাৰ্থীয়ে বহুকথা বুজি নাপাবও পাৰে যদিহে নিজে ঘৰত ভালদৰে পাঠবোৰ অধ্যয়ন নকৰে।

(খ) এটা বিষয়ৰ লগত আন এটা বিষয়ৰ সহঃ সম্বন্ধ আধুনিক শিক্ষাব্যৱস্থাত ন ন বিষয়ৰ অৰ্ন্তভূক্তিয়ে সহ সম্বন্ধৰ গুৰুত্ব অধিক কৰিছে। এটা বিষয়ৰ লগত আন এটা বিষয়ৰ সূক্ষ্ম সাদৃশ্য বা ওচৰ সম্বন্ধ ভালদৰে বুজিলেহে পাঠদান আৰু পাঠগ্ৰহণ সহায়ক হয়। উদাহৰণ স্বৰূপে ক'ব পাৰি বুৰঞ্জী পঢ়াওতে ভৌগলিক অৱস্থিতি সৰ্ম্পকেও জ্ঞান দিব পাৰি।

(খ) এটা বিষয়ৰ লগত জীৱনৰ সম্বন্ধঃ আমেৰিকান দাৰ্শনিক শিক্ষাবিদ জন ডিইউৰ মতে, যি শিক্ষা ব্যৱহাৰিক জীৱনৰ কামত নাহে সেই শিক্ষা দিব নালাগে। শ্ৰেণীত পাঠদান কৰোতে বাস্তৱ জীৱনত তাৰ উপযোগিতা সম্বন্ধে শিকাৰুক অৱগত কৰোৱা উচিত।

মন কৰিবলগীয়া যে সহঃ সম্বন্ধ সদায় স্বাভাৱিক, স্বতঃস্ফূৰ্ত হোৱা দৰকাৰ। জোৰকৈ সহঃ সম্বন্ধ স্থাপন কৰা অনুচিত। ছাত্ৰ-ছাত্ৰীৰ বয়স, মানসিক পৰিপক্কতা, সক্ষমতা আদিৰ প্ৰতিও লক্ষ্য ৰাখিহে সহঃ সম্বন্ধ স্থাপন কৰা উচিত। তদুপৰি শিকাৰুৰ ৰুচি অভিৰুচি, আগ্ৰহ, প্ৰয়োজন আদিৰ প্ৰতিও ধ্যান দিয়া অতীব প্ৰয়োজন।

উপযুক্ত সহঃ সম্বন্ধৰ ধাৰণাই শিকাৰুৰ মনত লব্ধ জ্ঞানৰ দৃষ্টিভংগী প্ৰসাৰ সাধনত সহায় কৰে বিভিন্ন বিষয়ৰ মাজত থকা জটিলতা হ্ৰাস কৰে। পাঠৰ মাজত থকা সম্বন্ধ বুজি পালে শিকিবলৈ আগ্ৰহী হয়। অৱশ্যে এটা কথা স্বীকাৰ কৰিব লাগিব যে, অভিজ্ঞ তথা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকেহে সহ সম্বন্ধ স্থাপনত সফল হয়। পাঠৰ লগত সহঃসম্বন্ধ নথকা বিষয়ৰ লগত, মিল নথকা অন্য পাঠৰ অন্য বিষয়ৰ লগত সহঃ সম্বন্ধ স্থাপনে ছাত্ৰ-ছাত্ৰীৰ মনত বিভ্ৰান্তি সৃষ্টি কৰিব পাৰে। উদ্দেশ্যহীন সহঃ সম্বন্ধই শিক্ষনীয় পৰিৱেশ বিৰক্তিকৰ কৰাৰ লগতে অনিষ্টকৰ হ'ব পাৰে। সহঃ সম্বন্ধ ইতিবাচক বা নেতিবাচক হ'ব পাৰে। এই কথাটি মনত ৰখা উচিত।

●●●